# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-04-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

হেঁপাহৰ ৰঙালী বিহুলৈ এদিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। অসমীয়া নতুন বছৰটিক আদৰাৰ বাবে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে জনসাধাৰণে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। পৰহিলৈ অসমবাসীয়ে গৰু বিহুৰ দিনা পৰম্পৰাগত ৰীতি-নীতিৰে গৰুক গা ধুৱাই গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰিব। বুধবাৰে মানুহ বিহুৰ দিনা হেঁপাহৰ বিহুৱানখন আগবঢ়াই পৰস্পৰক বিহুৰ ওলগ যাচিব।

চৰাইদেউ জিলাত অসমীয়াৰ প্ৰাণৰ স্পন্দন ৰঙালী বিহুক আদৰিবলৈ গাঁৱে-নগৰে প্ৰস্তুতি চলিছে। জিলাখনৰ কৃষকসকলে গৰু বিহুৰ দিনা গৰুক গা ধুৱাই নতুন পঘা দিয়াৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে।

সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থাৰ উদ্যোগত আৰু ডিব্ৰুগড়বাসীৰ সহযোগত ২৫ এপ্ৰিলৰ পৰা ২৭ এপ্ৰিললৈ ৰঙালী উৎসৱৰ আয়োজন কৰা হৈছে। আজি চৌকিদিঙী খেলপথাৰত উৎসৱৰ লাইখুঁটা স্থাপন কৰা হয়। মাজুলী জিলাতো হেঁপাহৰ বিহুটিক আদৰিবলৈ ৰাইজে ব্যাপক প্ৰস্তুতি চলাইছে। জিলাখনৰ ভকত চাপৰিৰ ৰংমন বিহু উদযাপন সমিতিৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত ঢোলবাদন আৰু কৰ্মশালাৰ আজি সামৰণি পৰে।

০০০০

অহা ১৬ এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ সংসদৰ বিশেষ অধিৱেশন অনুষ্ঠিত হ'ব। এই অধিৱেশনত সংসদত মহিলাৰ বাবে আসন সংৰক্ষণ সংশোধনী বিধেয়ক সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সন্দৰ্ভত কয়, যে মহিলাৰ আসন সংৰক্ষণ আইন কাৰ্যকৰী কৰাৰ সময় আহি পৰিছে আৰু ২০২৯ চনৰ নিৰ্বাচনত মহিলাৰ বাবে সংৰক্ষিত আসন থাকিব বুলি আশা কৰা হৈছে। এই সন্দৰ্ভত লোকসভা আৰু ৰাজ্যসভাৰ সদস্যসকললৈ প্ৰেৰণ কৰা এখন পত্ৰত শ্ৰী মোদীয়ে সংশোধনী বিধেয়কখন গৃহীত কৰাৰ বাবে সকলোকে উপস্থিত থাকিবলৈ আহ্বান জনায়। 'নাৰী শক্তি বন্দন অধিনিয়ম' নামেৰে জনাজাত এই আইন সমগ্ৰ দেশজুৰি কাৰ্যকৰী হোৱা প্ৰয়োজন বুলি প্ৰধানমন্ত্ৰীয়ে মত প্ৰকাশ কৰে। উল্লেখযোগ্য যে এই আইন ৰূপায়ণৰ পাছত লোকসভাৰ সদস্যৰ সংখ্যা ৮১৬ লৈ বৃদ্ধি পোৱাৰ লগতে মহিলাৰ বাবে সংৰক্ষিত আসনৰ সংখ্যা ২৭৩ লৈ বৃদ্ধি পাব বুলি কোৱা হৈছে।

০০০০

কিংবদন্তি গায়িকা, পদ্মবিভূষণ বঁটাৰে সন্মানিত আশা ভোশলেৰ মৃত্যুত আজি সমগ্ৰ দেশবাসী ম্ৰিয়মান হৈ পৰিছে। সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে কোকিল কণ্ঠী গায়িকাগৰাকীৰ মৃত্যুত গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, মহাৰাষ্ট্ৰৰ ৰাজ্যপাল জিষ্ণু দেৱ বৰ্মা, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাৱিছ, বিশিষ্ট ক্ৰিকেট খেলুৱৈ শচীন তেণ্ডুলকাৰ, অভিনেত্ৰী তথা ৰাজনীতিবিদ হেমা মালিনীকে ধৰি অন্যান্য কেন্দ্ৰীয় মন্ত্ৰী তথা বোলছবি আৰু সংগীত জগতৰ লোকসকলে গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে।

কেইবাদশক ধৰি আধুনিক ভাৰতৰ সংগীত জগতৰ অন্যতম শ্ৰেষ্ঠ কণ্ঠশিল্পী হিচাপে পৰিগণিত হৈ থকা আশা ভোশলেয়ে আঠ দশকৰো অধিক কাল বলিউদৰ সংগীত জগতত বহু কালজয়ী গীতত কণ্ঠদান কৰিছিল।

আশা ভোচলেই হিন্দী, মাৰাঠী, বাংলা, গুজৰাটী, পাঞ্জাবী, ভোজপুৰী, তামিল, মালায়ালম, অসমীয়া আৰু ইংৰাজী ভাষাকে ধৰি বিভিন্ন ভাষাত ১২ হাজাৰতকৈও অধিক গীত বাণীবদ্ধ কৰিছিল। সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ পৰিচালনাত তেওঁ কেইবাখনো অসমীয়া ছবিতো কণ্ঠদান কৰিছিল। বোলছবি গীতৰ উপৰি পপ সংগীত, গজল, ভজন, ভাৰতীয় শাস্ত্ৰীয় সংগীত, লোকসংগীত, ৰবীন্দ্ৰ সংগীত আদি সকলো প্ৰকাৰৰ গীত গাই জনপ্ৰিয়তা অৰ্জন কৰা কোকিলকণ্ঠী গায়িকাগৰাকীক ২০০০ চনত ভাৰত চৰকাৰে দাদা চাহেব ফাল্কে বঁটা আৰু ২০০৮ চনত পদ্ম বিভূষণ সন্মান প্ৰদান কৰে। ১৯৯৭ চনত তেওঁ প্ৰথম ভাৰতীয় হিচাপে গ্ৰেমী পুৰস্কাৰৰ বাবে মনোনয়ন লাভ কৰিছিল। কাইলৈ বিয়লি ৪বজাত শিৱাজী পাৰ্কত তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হ'ব।

০০০০

অসম ক্ৰিকেট সন্থাই গুৱাহাটীৰ এ চি এ ষ্টেডিয়ামত আই পি এলৰ ৩ খনকৈ খেল সফলভাৱে অনুষ্ঠিত কৰাৰ বাবে গ্ৰাউণ্ড ষ্টাফলৈ ২৫ লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছে। প্ৰতিকূল বতৰৰ প্ৰত্যাহ্বানপূৰ্ণ পৰিস্থিতিত গ্ৰাউণ্ড ষ্টাফৰ কৰ্মীসকলে পিটছসমূহ যাতে খেলাৰ উপযোগী হৈ থাকে সেয়া নিশ্চিত কৰিছিল। তেওঁলোকৰ প্ৰচেষ্টাতে আটাইকেইখন খেল সুন্দৰকৈ অনুষ্ঠিত হয় আৰু ইয়াৰ জৰিয়তে ৰাষ্ট্ৰীয় পৰ্যায়ত ষ্টেডিয়ামখনৰ সুনামো বজাই ৰাখিবলৈ সমৰ্থ হয়। তেওঁলোকৰ কামৰ স্বীকৃতিস্বৰূপে অসম ক্ৰিকেট সন্থাই এই পুৰস্কাৰ আগবঢ়াইছে। এ চি এৰ সভাপতি তৰংগ গগৈ আৰু সচিব সনাতন দাসে গ্ৰাউণ্ড ষ্টাফৰ পেছাদাৰীত্ব আৰু দায়বদ্ধতাৰ প্ৰশংসা কৰে। তেওঁলোকে লগতে এই কৰ্মচাৰীসকলক খেল পৰিচালনাৰ ক্ষেত্ৰত মেৰুদণ্ডস্বৰূপ বুলি উল্লেখ কৰে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগলুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি বাতৰি যুগুতোৱাৰ পৰলৈ ১৮ অভাৰত ৩ উইকেটৰ বিনিময়ত ২১৭ ৰান কৰি খেলি আছে। দলৰ হৈ ফিল ছল্টে সৰ্বাধিক ৭৮, ৰজত পাটিদাৰে ৫৩ আৰু বিৰাট কোহলীয়ে ৫০ ৰান কৰি আউট হয়।

ইয়াৰ পূৰ্বে লক্ষ্নৌৰ একনা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত আজি গুজৰাট টাইটানছে-লক্ষ্নৌ ছুপাৰ জায়েণ্টছক ৭ উইকেটত পৰাস্ত কৰে।

০০০০

ওদালগুৰি জিলাৰ বেংবাৰীৰ নিৱাসী, শ্ৰীশ্ৰীবামুন্দী সত্ৰৰ সত্ৰাধিকাৰ মুকুন্দ দেৱগোস্বামীৰ আজি পুৱতি নিশা দেহৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৬ বছৰ। সত্ৰাধিকাৰগৰাকী দৰং-ওদালগুৰি জিলা

ব্ৰাহ্মন সভাৰ অন্তৰ্গত সত্ৰাধিকাৰ সভাৰ সভাপতি হিচাপে দীৰ্ঘদিন কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁৰ মৃত্যুত ওদালগুৰি জিলা সাহিত্য সভা, বড়োলেণ্ড সাংবাদিক সন্থাকে ধৰি বিভিন্ন অনুষ্ঠানে শোক প্ৰকাশ কৰিছে।

ঃঃ সমাপ্ত ঃঃ